NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

২। নেপালৰ তনাহুন জিলাত হোৱা বাছ দুৰ্ঘটনাত হতাহত লোকসকললৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি ছত্তিশগড়ৰ ৰাজধানী ৰায়পুৰত দেশৰ বাওঁপন্থী উগ্ৰবাদ প্ৰভাবিত ৰাজ্যসমূহত আন্তঃৰাজ্যিক সমন্বয় সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়।

৪। চি বি আয়ে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষকে ধৰি সাতজন লোকৰ পলিগ্ৰাফ টেষ্ট সম্পন্ন কৰিছে।

***আৰু***

৫। ভাৰতীয় পেৰা শ্বুটিং দলটো পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণৰ বাবে ইতিমধ্যে স্বদেশৰ পৰা ৰাওনা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৩ সংখ্যক খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ তনাহুন জিলাত হোৱা বাছ দুৰ্ঘটনাত হতাহত লোকসকললৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা প্ৰতিজন লোকৰ নিকট-আত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা দুই লাখ টকাকৈ আৰু আহত সকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসে এই দুৰ্ঘটনাত ২৭ গৰাকী ভাৰতীয়ই প্ৰাণ হেৰুওৱা বুলি প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি ছত্তিশগড়ৰ ৰাজধানী ৰায়পুৰত দেশৰ বাওঁপন্থী উগ্ৰবাদ প্ৰভাবিত ৰাজ্যসমূহত আন্তঃৰাজ্যিক সমন্বয় সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত গৃহমন্ত্ৰীগৰাকীয়ে বাওঁপন্থী উগ্ৰবাদ প্ৰভাবিত এলেকাসমূহৰ সুৰক্ষা তথা উন্নয়ন সম্পৰ্কীয় বিষয়ৰ পৰ্যালোচনা চলায়। ছত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেৱ ছায়, কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়, ছত্তিশগড়ৰ উপ-মুখ্যমন্ত্ৰী বিজয় শৰ্মা এই বৈঠকত উপস্থিত থাকে। ছত্তিশগড়, ঝাৰখণ্ড, ওড়িশা, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু মহাৰাষ্ট্ৰৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলে বৈঠকত ভাগ লয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মহাৰাষ্ট্ৰৰ জলগাঁও আৰু ৰাজস্থানৰ যোধপুৰ ভ্ৰমণ কৰিব। শ্ৰী মোদীয়ে লাখপতি দিদি সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে জলগাঁৱলৈ যাব। এন ডি এ চৰকাৰৰ তৃতীয়টো কাৰ্যকালত অলপতে লাখপতি হোৱা ১১ লাখ নতুন লাখপতি দিদিক তেওঁ সন্মান জনোৱাৰ লগতে প্ৰমাণপত্ৰ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশৰ লাখপতি দিদিসকলৰ সৈতে মত বিনিময়ো কৰিব। শ্ৰী মোদীয়ে দুহেজাৰ ৫০০ কোটি টকাৰ পুঁজিও মুকলি কৰিব যাৰ দ্বাৰা আত্মসহায়ক গোটৰ ৪৮ লাখ সদস্য উপকৃত হ'ব। তেওঁ লগতে ৫ হাজাৰ কোটি টকাৰ বেংক ঋণো বিতৰণ কৰিব, যিয়ে প্ৰায় ২৬ লাখ আত্মসহায়ক গোটৰ সদস্যক সহায় কৰিব। লাখপতি দিদি আঁচনি আৰম্ভ হোৱাৰে পৰা এক কোটি মহিলা লাখপতি দিদি হৈছে আৰু চৰকাৰে তিনি কোটি মহিলাক লাখপতি দিদি বনোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

সন্ধিয়ালৈ প্ৰধানমন্ত্ৰী মোদী ৰাজস্থানৰ যোধপুৰত উপস্থিত হ'ব। তেওঁ ৰাজস্থান উচ্চ ন্যায়ালয়ৰ হীৰক জয়ন্তী সমাৰোহৰ সামৰণি উৎসৱত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। শ্ৰী মোদীয়ে ৰাজস্থান উচ্চ ন্যায়ালয় সংগ্ৰহালয়ো মুকলি কৰিব।

০০০০০০০

ভাৰত আৰু ছিংগাপুৰৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়লানি ঘূৰণীয়া মেজমেল ছিংগাপুৰত সোমবাৰে অনুষ্ঠিত হ'ব। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আৰু ৰে'ল, তথ্য প্ৰযুক্তি, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰিব। ভ্ৰমণ কালত মন্ত্ৰী কেইগৰাকীয়ে ছিংগাপুৰৰ বাণিজ্য আৰু উদ্যোগ, বিদেশ, ৰে'ল আৰু তথ্য প্ৰযুক্তি মন্ত্ৰীৰ সৈতে মত বিনিময় কৰিব আৰু দেশখনৰ নেতৃবৰ্গক সাক্ষাৎ কৰিব। বিদেশ মন্ত্ৰালয়ে কৈছে যে, ভাৰত-ছিংগাপুৰ মন্ত্ৰীপৰ্যায়ৰ ঘূৰণীয়া মেজমেল দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ বাবে নতুন কাৰ্যসূচী নিৰ্ধাৰণ কৰাৰ এটা অনন্য ব্যৱস্থা। নতুন দিল্লীত ২০২২ চনৰ ছেপ্তেম্বৰত প্ৰথমখন ঘূৰণীয়া মেজমেল অনুষ্ঠিত হৈছিল। মন্ত্ৰালয়ে কৈছে যে এই বৈঠকে দুয়ো পক্ষকে উভয় দেশৰ মাজত কৌশলগত সহযোগিতাৰ বিভিন্ন দিশৰ পৰ্যালোচনা চলোৱাৰ আৰু এই সহযোগিতা সম্প্ৰসাৰণৰ নতুন এলেকা চিনাক্তকৰণৰ সুযোগ প্ৰদান কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোলেণ্ড আৰু ইউক্ৰেইনৰ সফল ভ্ৰমণ সামৰি আজি দুপৰীয়া স্বদেশলৈ উভতি আহে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্কৰ সৈতে ৰাৰশ্ব'ত আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ সম্পৰ্কক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ সিদ্ধান্ত লয়। তেওঁলোকে লগতে এখন সুস্থিৰ, সমৃদ্ধিশালী আৰু বহনক্ষম বিশ্বৰ বাবে দ্বিপাক্ষিক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সুদৃঢ় কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীদ্বয়ে ইউক্ৰেইন আৰু পশ্চিম এছিয়াৰ সংঘৰ্ষসহ পাৰস্পৰিক স্বাৰ্থজৰিত গুৰুত্বপূৰ্ণ আঞ্চলিক আৰু গোলকীয় বিষয় লৈ আলোচনা কৰে।

ইউক্ৰেইনত প্ৰধানমন্ত্ৰী মোদী আৰু দেশখনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ মাজত কীভত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। বৈঠকত ইউক্ৰেইনৰ সমূহীয়া উন্নয়ন প্ৰকল্প, ঔষধ নিয়ন্ত্ৰণ মান, সাংস্কৃতিক বিনিময় আৰু কৃষিকে ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে চাৰিখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে সজোৰে কয় যে, ইউক্ৰেইন আৰু ৰাছিয়াই দেশ দুখনৰ মাজৰ সংঘৰ্ষৰ অৱসানৰ উপায় উলিয়াওৱা উচিত। শান্তি অনাৰ বাবে চলোৱা সকলো প্ৰচেষ্টাত সক্ৰিয় ভূমিকা পালন কৰিবলৈ ভাৰত সাজু বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

0000000

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কৈছে যে লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে কোটি কোটি লোকক কৰ্মসংস্থাপন সুযোগ আৰু বৃহৎ উদ্যোগসমূহক গুৰুত্বপূৰ্ণ যোগন শৃংখলা প্ৰদান কৰি ৰাষ্ট্ৰ নিৰ্মাণত অৱদান আগবঢ়াই আহিছে। নতুন দিল্লীত আজি দশম ভাৰত আন্তঃৰাষ্ট্ৰীয় লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ ষ্টাৰ্টআপ প্ৰদৰ্শনী আৰু সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰী গোৱেলে কয় যে লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে বৃহৎ উদ্যোগ আৰু কোম্পানীসমূহৰ বাবে যোগানকাৰী আৰু উপভোক্তা হিচাপে কাম কৰে। লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে পৰ্যটন আৰু আন্তঃগাঁথনিৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰী গোৱেলে কয় যে, চৰকাৰে মান নিয়ন্ত্ৰণৰ নিৰ্দেশৰ জৰিয়তে লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক সহায় কৰি আহিছে আৰু এই নিৰ্দেশে এনে উদ্যোগসমূহক বিদেশৰ অসাধু প্ৰতিযোগিতাৰ পৰা ৰক্ষা কৰিছে।

0000000

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষকে ধৰি সাতজন লোকৰ পলিগ্ৰাফ টেষ্ট সম্পন্ন কৰিছে। এই ঘটনাৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা একমাত্ৰ ব্যক্তি সঞ্জয় ৰায়, ঘটনাৰ পূৰ্বে ভুক্তভোগী আবাসীক চিকিৎসক গৰাকীৰ সৈতে থকা চাৰিগৰাকী চিকিৎসক আৰু কলকাতা আৰক্ষীৰ দুগৰাকী স্বেচ্ছাসেৱকৰো পলিগ্ৰাফ টেষ্ট কৰা হয়। শিয়ালদাহৰ আদালতে চি বি আইক পলিগ্ৰাফ টেষ্টৰ অনুমতি প্ৰদান কৰিছিল। একেখন আদালতে কালি সঞ্জয় ৰায়ক ১৪ দিনৰ বাবে জেল হাজোতলৈ প্ৰেৰণ কৰিছিল।

ইপিনে বিশেষ তদন্ত দলে কলকাতা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে গোচৰটোৰ সৈতে জড়িত নথিসমূহ চিবিআইৰ হাতত অৰ্পণ কৰিছে।

0000000

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই ২৯ আগষ্টত ৰাষ্ট্ৰীয় খেল দিৱস উদযাপনৰ অৰ্থে দেশবাসীক খেলত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী মোদীৰ ফিট ইণ্ডিয়া অভিযানক আগবঢ়াই নিয়াৰ আৱশ্যকতা আলোকপাত কৰি শ্ৰী মন্দাভিয়াই কয় যে, নিজকে সুস্থ-সবল কৰি ৰখাটো প্ৰতিগৰাকী ভাৰতীয়ৰ দায়িত্ব। তেওঁ লগতে কয় যে, ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস অকল দেশৰ খেলুৱৈসকলক সন্মানিত কৰাৰ এটা উপলক্ষ্যই নহয় বৰং এই দিৱসে সন্তুলিত আৰু সুস্থ জীৱন বৰ্তাই ৰখাত ক্ৰীড়াই কিদৰে সদায় কৰে সেই বিষয়েও সোঁৱৰাই দিয়ে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে চট্টিশগড়, ওড়িশা, পশ্চিম ৰাজস্থান, পূব মধ্য প্ৰদেশ আৰু পশ্চিমবংগৰ কিছু অঞ্চলত কাইলৈ ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে। তদুপৰি মিজোৰাম, ত্ৰিপুৰা, গুজৰাট, গোৱা আৰু মধ্য মহাৰাষ্ট্ৰটো অহা দুদিনত ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে। বতৰ বিজ্ঞান বিভাগে এই সপ্তাহত হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, পূব ৰাজস্থান, জম্মু-কাশ্মীৰ, গিলগিট, পঞ্জাব, উত্তৰ প্ৰদেশ, হাৰিয়ানা আৰু দিল্লীত মজলীয়া বৰষুণ হ'ব বুলি আগজাননী দিছে।

০০০০০০০

ভাৰতীয় পেৰা শ্বুটিং দলটো পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণৰ বাবে ইতিমধ্যে স্বদেশৰ পৰা ৰাওনা হৈছে। মনিষ নাৰ'ৱাল, আমিৰ আহমেদ ভট্, ৰুদ্ৰাংশ খাণ্ডেলৱাল, অৱনী লেখ্ৰা, মোনা আগৰৱাল, ৰুবিনা ফ্ৰান্সিছ, স্বৰূপ মহাবীৰ, সিদ্ধাৰ্থ বাবু, শ্ৰীহৰ্ষ দেৱৰড্ডী আৰু নিহাল সিঙক লৈ গঠিত দলটোৱে টকিঅ' পেৰালিম্পিকত অধিক উন্নত প্ৰদৰ্শনৰ চেষ্টা চলাব। উল্লেখযোগ্য যে, ভাৰতীয় পেৰা শ্বুটিং দলটোৱে টকিঅ' পেৰালিম্পিকত দুটা সোন, এটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ ৪টা পদক লাভ কৰিছিল। ৩০ আগষ্টত পেৰিছ পেৰালিম্পিকৰ শ্বুটিং শিতানৰ খেলসমূহ আৰম্ভ হ'ব।

০০০০০০০

সমাপ্ত